A.D.P. COLLEGE LIBRARY
Acc.no...........
Dt ............
NAGAON : ASSAM

**2021**

( Held in 2022 )

# ASSAMESE

Paper : ASM–HC–3016

**( অসমীয়া সাহিত্য প্ৰৱেশ )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×১০=১০

(ক) এলাগীৰ জীয়েকৰ নাম কি?

(খ) মমতাৰ পুতেকৰ নাম কি বুলি 'মমতাৰ চিঠি' কবিতাটিত উল্লেখ আছে?

(গ) কৃষ্ণকান্ত সন্দিকৈদেৱৰ ব্যক্তিগত পুথিভঁৰালত অসমীয়া ভাষাৰ উপৰি আৰু কিমানটা ভাষাৰ কিতাপ আছে বুলি লেখকে বৰ্ণনা কৰিছে?

(ঘ) ‘জীৱনৰ অমিয়া’ত উল্লেখ কৰা কৰ্তব্য পালন কিহৰ মহামন্ত্ৰ ?

(ঙ) ‘মকৰা পেস্কাৰ’ শীৰ্ষক প্ৰবন্ধটিত অসমৰ কোনখিনি সময়ৰ বৰ্ণনা পোৱা যায় ?

(চ) টেপুৰামৰ ঘৰ ক’ত ?

(ছ) ‘মানুহ শংকৰদেৱ’ কোন শ্ৰেণীৰ ৰচনা ?

(জ) ‘জীৱন-বৃত্ত’ৰ প্ৰথম প্ৰকাশ কেতিয়া হৈছিল ?

(ঝ) ‘প্ৰসংগ-কোষ’ কোনে ৰচনা কৰিছিল ?

(ঞ) হেবাং কোন ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ‘জীৱনৰ অমিয়া’ প্ৰবন্ধটিত উল্লেখ থকা দুই শ্ৰেণীৰ মানুহ কি কি ?

(খ) ‘সাউদৰ পুতেকে নাও মেলি যায়’ উপন্যাসখনৰ মূল চৰিত্ৰটোৰ নাম কি? পাছলৈ চৰিত্ৰটো কি নামেৰে পৰিচিত হৈছিল ?

(গ) নৰকান্ত বৰুৱাৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঘ) ‘মমতাৰ চিঠি’ কবিতাটিত থকা ‘শুধ বগা’ আৰু ‘পখৰা’-ৰ জৰিয়তে কি কথাৰ ইংগিত দিয়া হৈছে ?

(ঙ) অমলা কোন ? তেওঁ কোন কলেজত পঢ়িছিল ?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) হীৰেন ভট্টাচাৰ্যৰ ‘শৱসন্ধান’ কবিতাটিৰ অন্তৰ্নিহিত কথাখিনি বুজাই লিখা।

(খ) হৰিবল ককায়ে বৰশীৰ বছী কেনেধৰণে প্ৰস্তুত কৰিছিল, বুজাই লিখা।

(গ) নাৰীৰ প্ৰতি শংকৰদেৱৰ মনোভাব ‘মানুহ শংকৰদেৱ’ প্ৰবন্ধত হীৰেন গোহাঁইদেৱে কেনেদৰে বৰ্ণনা কৰিছে, আলোচনা কৰা।

(ঘ) কৃষ্ণকান্ত সন্দিকৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ক তেওঁৰ ব্যক্তিগত পুথিভঁৰালটো দান কৰোঁতে আৰোপ কৰা চৰ্তবোৰ কি কি, চমুকৈ লিখা।

(ঙ) ‘কথা চহকী মাৰ্কিন ডেকাৰ সংগসুখ’ প্ৰবন্ধটিত আমেৰিকা শিক্ষাৰ দিশটো কেনেদৰে বৰ্ণনা কৰিছে, লিখা।

(চ) ‘মেকং নৈ দেখিলোঁ’ গ্ৰন্থত বৌদ্ধ মূৰ্তি সম্পৰ্কত কি মন্তব্য কৰিছে, চমুকৈ লিখা।

৪। (ক) ‘চম্পাৱতীৰ সাধু’ত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, লিখা। ১০

*অথবা*

(খ) ‘সাউদৰ পুতেকে নাও মেলি যায়’ উপন্যাসত থকা বৰ্ণনা অনুসৰি বাপুকণৰ শৈশৱ কেনেদৰে পাৰ হৈছিল, লিখা।

৫। (ক) 'দুখন ভৰি' গল্পটিৰ সত্যেন চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখা। ১০

*অথবা*

(খ) 'মমতাৰ চিঠি' কবিতাটিত নাৰী মনস্তত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৬। (ক) 'মকৰা পেস্কাৰ' ৰচনাখনত প্ৰাক্-স্বাধীনতা কালৰ অসমৰ ৰাজনৈতিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'জীৱন বৃত্ত'ত ভবেন্দ্ৰনাথ শইকীয়াই পিতৃ-মাতৃৰ কথা কেনেদৰে বৰ্ণনা কৰিছে, লিখা।

৭। (ক) 'মেকং নৈ দেখিলোঁ' ভ্ৰমণ কাহিনীখনত হেম বৰুৱাই বেংকক চহৰৰ বৰ্ণনা কিদৰে কৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) দেৱকান্ত বৰুৱাৰ 'লাচিত বৰফুকন' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

★★★

A.D.P. COLLEGE LIBRARY
Acc.no............
Dt ............
NAGAON : ASSAM